কুঁহিয়লা ।

শ্ৰীদৈৱচন্দ্ৰ তালুকদাৰ ।

কুঁহিমলা।

GOVERNMENT OF ASSAM
Call No...............
DISTRICT LIBRARY.

নাগাওঁ নাগাওঁ মধুৰ সুৰেৰে
পুৰণিকলীয়া গীত,
নেমেলোঁ নেমেলোঁ বুৰঞ্জীৰ পাত
গাবলৈ পুৰণি স্মৃতি।

নিদিওঁ ঝঙ্কাৰ পুৰণি বীণত
ভগা-ছিগা সুৰ তুলি
আপোন পাহৰা বৰাগীৰ গীত
নাগাওঁ আপোন বুলি ।

সতী সাবিত্ৰিৰ কথাকে নকওঁ
যদিও বিষাদ ভৰা
বিৰহ পিচত মিলন আঁকিছে
আঁকিছে যুগল তৰা ।

অশোক বনৰ দুখুনী সীতাক
বাল্মীকি আঁকিছে ভাল,
জগতে শুনিয়ে শোকত ব্যাকুল
করুণ সুৰৰ তাল ।

তেওঁ কিন্তু হায় ৰজাৰ জীয়ৰী
ৰজাৰে বোৱাৰী তেওঁ;
ৰজাৰ কাষতে থাকি নিতে নিতে
জানে ৰাজ আও-ভাও ।

তেওঁৰ কথাকো নকওঁ সমুলি
নলওঁ মনত আঁকি,
ৰাজ আভৰণ পাম কেনেকৈ
দুখীয়া পজাত থাকি ?

কুলি কেতেকীৰ নামকে নলওঁ
গোলাপ তগৰ যুতি
বিশ্ব জুৰি নিতে কবি যতবোৰ
তাতেই বিভোল অতি ।

কবিতা গুঞ্জৰ সুথলে নিচয়
লুতুৰা ভোমোৰা দেখি,
যাউতী যুগীয়া কবিতাৰ বিত
ভাগৰি পৰিলোঁ লেখি ।

বিশ্ব ভাব লই উটি বুৰি মই
আকাশ পাতাল ঘূৰি
নাগাওঁ নাগাওঁ মধুৰ ভাবৰ,
মধুৰ ছন্দ জুৰি ।

ৰণ বিদ্ৰোহৰে বাওলী নকৰোঁ
অমিয়া লেখনি ধৰি,
শব্দৰ স্পন্দন নোতোলোঁ নোতোলোঁ
লাৱনী কবিতা ভুলি ।

থাকোঁতে আগত সৌন্দৰ্য্য আকৰ
আউলী-বাউলী চুলি
বৰ্ণনাত নানোঁ তিৰোতা মুখৰ
দীঘলীয়া চুলি টাঁৰি ।

শোকৰ গীতৰ করুণ সুৰৰ
বিশ্বৰ কান্দোন চাই,
খিল্ খিল্ হাঁহি গাভৰুৰ আজি
নাভাবোঁ, নিশ্চয় হায় !

নিৰল নিৰৰ প্ৰকৃতি সুন্দৰী
শোকতে ব্যাকুল অতি,
লজা বিৰিখেও ঢুকিছে চকুলো
আজিকে চঞ্চল মতি ।

ইনাই বিনাই কান্দিছে লগতে
লাজুকী সৰলা জুৰি'
কান্দোনৰ ধ্বনি উথলি উঠিছে
শিলকো নিমজ কৰি ।

হাবি বননিৰ বিহাৰ আঁচল
তাতে ওচৰতে পাই
লাজতে জুৰিটি মুখ ঢাকিছেহি
শোকৰ সঙ্গীত গাই ।

বগলী শৰালী দাঁতি কাষৰতে
টোপ মণি ৰই ৰই
শোকতে আকুল জুৰিটিক দেখি
আছে বহি থৰ হই ।

দূৰ পথাৰতে মিকিৰ জীয়ৰী
কাৰনো মুখলৈ চাই,
থমকি থমকি ৰৈছে কিয়নো
শোকতে জুৰুলী হই।

পিঠিত তাইৰ থলিৰ বোজাটি
বুকুতে অকণি লৰা°
পোনৰ যৌৱন গলেও তাইৰ
দুগাল তেজেৰে ভৰা!

মেখেলা তাইৰ ককালত বন্ধা
মুখত ৰাঙলী পিক্
নোদোকা নোদোকা হাতৰ আঙুলি
চকু জুৰি চিক্‌মিক্।

ভাবিছে আলেঙ্গে থৰ লাগি ৰই
নিৰাশ চকুৰে চাই
কেনেনো দুখত দুখুনী সৰলা
কিটোনো আমনি পাই?

থন্তেকে সাদৰী বোজাটি পেলাই
কিয়নো লৰৰি গ'ল
চুলিৰ খোপাটি ভাঙি পলকতে
আউলি-জাউলি হল?

অনন্ত বেদনা কিয় উথলিল
তিৰা জুৰি চল বই,
কাণনো দেখিয়ে লৰে চমকতে
আউলী বাউলী হই।

জীৱন অমিয়া বিচাৰি বিচাৰি
নিমিষতে লগ পাই
কথা বা বতৰা কবকে নোৱাৰি
বল ভাই কাক চাই ?

থন্তেক পিচতে আঁজলী পাভক
সাহস যোগাই লই
হিয়া ধুনি ধুনি বলকিছে নিজে
সমূলি নিলাজী হই।

আধা বুজা ভাষা, বুকু ভঙা কথা,
কপালত দুখ ৰেখা,
ভাব ভঙ্গিমাৰে ভাঙিছে সাদৰী
হিয়াৰ সকলো বেথা।

"বিহুতে নাচোঁতে ছুবছুৰ আগে
ধৰিলি সাবটি মোক;
মইও যুৱতী তোকে লগ পাই
ভুলিলোঁ পিয়াহ ভোক।

আনন্দ উলাহ যৌৱন কালৰ
উথল মাথল চিত,
মিকিৰ জীয়ৰী মই আধাকাটি
পালোঁ সৰগৰ বিত।

তোৰে ছলনাতে সকলো ভুলিলোঁ
সমাজো পাহৰি গলোঁ,
তোৰে পীৰিতিত সাতুৰি নাদুৰি
অমিয়া তৃপিতি পালোঁ।

সুবুজিলোঁ মই আঁকৰী ছোৱালী
শঠতাৰ কিবা মোল,
চতুৰালি কিবা কৰেনো মনুহে
পাইয়ে আঁজলী কুল।

সুবুজিলোঁ আৰু মান মান লোকে
কিবা কথা গঢ়ে ভাঙে,
ছলিবলৈ কাকো ৰাতি দিন থাপি
ভাবে আলেঙে আলেঙে।

তোকো বুজিলোঁ আনৰ দেখিয়া
হবান নক্ষত্ৰ তই,
'সোণলু' বুলি যে বাউলী হলোঁ ঐ
আলো ছোৱালী মই !

সুচল বুজি ঐ তইয়ে চতুৰ
মোৰে নিতে ললি লগ,
অজলা পাইয়ে ভুলালি কথাৰে
কৰিলি ব্ৰহ্ম ঠগ।

কথা কই কই এদিনা গধূলি
আনিলি পথাৰ বুলি,
নৈৰ কাষৰে শিলতে বহিয়ে,
খুৱালি তামোল ছালি।

তোৰে তামোলতে আহুদি কৰিলি
মোহিনী মাৰিলি কিনো ?
বুকু দম্ দম্ কৰে নিতে নিতে
আকাশ পাতাল ভাঙো।

নিতে নিতে মই পানী নিওঁ বুলি
কাষত কলহ লই,
সেই শিলতেই বহি থাকোঁ সদা
তোৰ মুখ চাবলই

শিলৰ কাষতে পানী ঘুৰি ঘুৰি
হাঁহি তেলপেৰা জোটে;
চেলেকনি মাছে ভুটুকনি মাৰি
নাচি ওপৰলৈ উঠে।

তোকে চাই চাই, তোকে ভাবি ভাবি
বঙতে উতলা হওঁ,
সৰ পথাৰৰ বিহুগীত গান
এনি তোনি ঘূৰি চওঁ।

আহিছ বুলিহে তইয়ে সোণৰু
বেঙা মেলি মেলি চাওঁ,
পাতৰ মৰ্ম্মৰ চৰাই বাৰত
তোকে বুলি থাওবাওঁ।

আবেলি পৰত তইও সদাই
লুকাই লুকাই আহ,
মোৰে চকু জুৰি ধৰি চমককে
বঙতে বিভোল হব।

জুয়োবো আনন্দ উতলা প্রেমৰ
বাঙলী মেলিয়ে চাই,
ভুমুকি মাৰিয়ে গছৰ আঁৰেৰে
মেঘতে লুকাই যায়!

চঞ্চল পীৰীতি থউকি-বাথউ
বঙতে আকুল মই,
আপোন পাহৰা হিয়া খনি মোৰ
সপিলোঁ তুকণে হায়।

তইও আদৰি লাজকে নকৰি
ধৰিলি সাবটি মোক
তাপিত পৰাণ শীতল কৰিলি
ভুলালি পিয়াহ ভোক।

হিয়াৰ আবেগ কতনো শুনালি
কতনো ভাঙিলি বাক ;
অমিয়া পীৰিতি চুমাতেই ভাঙি
লাওপানী পিলি আক।

তোৰে লগতেই থাকি থাকি সদা
লাজ কাজ পুৰি থালোঁ,
আই বোপাইক ভুৰা দিয়ে মই
তোৰেই লগকে ললোঁ।

লুকাই লুকাই বহোঁতে বহোঁতে
শিলও নিমজ হল
ভৱিষ্যত পট ভাবি চিন্তি মোৰ
নইও শুকাই গ'ল।

চেনেহী নইটি জুকলা জুপুৰা
ভাবি অতীতৰ কথা,
তাইকো ইদৰে ছলিয়ে পুৰুষে
দিছিল বুকুতে ব্যথা।

সেই শব্দতে বুজায় সকলো
ভৱিষ্যত দিয়ে ভাঙি
সিইতৰ কথা নুবুজোঁ নুবুজোঁ
মইয়ে কুকুৰী-কাণী ।

তোৰে কথাতেই ভুলি থাকো মই
তোৰে লনি ৰূপ চাই ;
বিশ্ব-বচোতাৰ বিপুল বিভূতি
সকলো পাহৰোঁ মই ।

আদৰ মালতী নিচেই কুমলী
মোৰে ভবি লাগি তাই,
লেউসেউ হই জাপ খাই বয়
পাপিনী পৰশ পাই ।

সি বোৰ ভাবনা নেভাবোঁ সমূলি
চঞ্চলা উতলা মই,
সিহেতু এতিয়া পালোঁ প্ৰতিফল
নিজ হাতে হাতে হায় ।

তই বহি বহি কতনো কৈছিলি
আজিও অনত পৰে
আকাশী ভাবনা গুণি গুণি তোৰ
হিয়া মোৰ নিতে জ্বলে ।

PLEASE HANDLE THE BOOK CAREFULLY.

তইয়ে কৈছিলি বহোঁতে বহোঁতে
শিলো যদি লোপ পায়,
তোৰে বুকুতেই লইয়ে সাদৰে,
দিবি মৰমৰ ঠাই ॥

তইয়ে কৈছিলি হালোঁতে যদিহে
চুমা খাবলই মোক,
শাপ দিয়ে আহি কোনো নৰকীয়ে
শিলা হৈ চাবি মোক।

ৰবি চিৰকাল সেই ভাবতেই
ৰবি তই থৰ লাগি
মোৰ ৰূপ চাই অনন্ত কালত
নিতে মতলীয়া হবি।

তইয়ে কৈছিলি ডুয়োৰো ৰঙত
জুৰিটি হিংসাত পুৰি
শুকাই গলেও নেভাগে আমাৰ
আনন্দ-মোহন-পুৰী।

পীৰিতি আমাৰ ৰখ চিৰকাল
ৰব সাঁত বিশ্ব জুৰি,
উলাহ-মালহে নাচিম, দুইয়ো
প্ৰেম সাগৰত পৰি।

তইয়ে কৈছিলি আইতা বোপাই
বাতৰি যদিহে পাই
খেদি আহিলেও ভুৰতে উঠিহে
হম অনন্তত লয়।

প্ৰেমৰ ভুৰত সাঁতুৰি নাছুৰি
অচিনাকি ঠাই লম।
ৰঙতে বিভোল হইয়ে দুয়ো
প্ৰেমতে মগন হম।

তইয়ে কৈছিলি নই খাল বিল
খন্তেকে যদিহে বাঢ়ি
মোৰ বাৰিষাৰ ঢল বই গই
বুৰায় জগত জুৰি।

আমি দুয়ো গৈ উঠিম সততে
দুখৰ আঁহত জোপা,
দুইয়ো পৰাণী হমগৈ ডালত
প্ৰেম পাৰিজাত থোপা।

বিশ্ব জুৰি প্ৰাণী যদি হুৰি যাব
বান-পানীত উটি উটি,
আমি দুয়ো নিতে ৰম নাচি নাচি
প্ৰেমৰ অমিয়া লুটি।

কওঁতে কওঁতে কতনো কৈছিলি
আজিও মনত আছে,
পপীয়া তৰাটি পৰিলেও আহি
কৰ তই লয় লাসে।

আমাৰ প্ৰীতিত বিশ্বও আকুল
তৰাও ধৰালৈ নামি
সৰগৰ পথ উজল কৰেহি
আমাক নিবলৈ ডাঙি।

কওঁতে কওঁতে দিন উকলিল
সুখৰ সপোন ভাঙি,
মইয়ে আজলী হলোঁ সৰ্ব্বনাশী
তোৰে পীৰিতিত পমি।

আজলী এনেহে নুবুজিলো তাকো
নাপালোঁ সমুলি গম
ইকুল সিকুল ডুবালোঁ দুকুল
মোলৈ নাই ঐ যম!

আলসতে পাতি চুলুভালি কথ
মোলৈ পাহৰি হিত,
মউ পুৰুবীত বিষ ঢালি তই
কৰিলি ব্যাকুল চিত।

লাহে লাহে তই আহিব এবিলি
দিনে পতি ঘনে ঘনে,
সুধিলেও তই নকব ভাঙিহে
ভাবি বব মনে মনে।

আজি বোগ বুলি, কালি কাম আছে
কতনো ছলনা কৰি
ভুলাই ৰাখিলি নিতে নিতে মোক
আজলী ছোৱালী বুলি।

মোৰে কপালত লাঠি মাৰি তই
এদিন পলালি হায়!
কথাও নকলি বতৰা নকলি
হিয়া ধুনি মৰোঁ মই।

তইযে চতুৰ অভাগীক এৰি
পালি গই কোন ঠাই
কোনখো দেশতে গলি ঐ নৰকী
খবৰ বাতৰি নাই।

লুকালি লুকালি কোন বেতনিত
নেপাওঁ বিচাৰি তোক,
মোক এৰি গই 'অকলাই থাকি
পালি নো কেনুৱা সুখ।

মইয়ে সৰলা আতিকে চঞ্চলা
মনত আনন্দ নাই
আলাই আথানি হলনো কতনো
ডলাৰ বগৰী প্ৰায়।

কিয়নো পলালি বুজিছোঁ এতিয়া
বুজিছোঁ সকলো কথা,
সৰাজে চেপিব বুলিহে সোনলু
ভাঙিলি আগতে লেঠা।

পলালি যদিহে ভয় খাই তই
পাহৰি পিয়াহ ভোক
ভয় যদি তোৰ হয়হে ইমান
বুৰালি কিয়নো মোক ?

অজলা চগাটি পাই ঐ সোনলু
কিয় এনে বাথা দিলি
চেনেহী পীৰিতি কৰি মনে মনে
কিয় মোৰ মুৰ খালি ?

ভয়ৰ কাৰণ নেদেখো একোকে
ভাঙিলে তেতিয়া তই
জীৱন গলেও নামটি সোনলু
নললোঁ হেঁতেন মই।

মইয়ে দুখুনী সমাজ আলাগী
নিশা দিন নিতে খপি
তোৰ সমুখত তোৰে ৰূপ নিতে
থাকিলোঁ হেতেন জপি ।

সিওটো সুখৰ ভেটিলিহি বাট
পলালি পুৰৱতী নিশা,
মোৰ কথা তই নাভাবিলি হায়
জ্বালি গলি জুই শিখা ।

এৰিলি এৰিলি অকলে অকলে
আলাই আথানি কৰি,
আজি কত দিন তোকে বাট চাই
হিয়া মৰোঁ ডেই পুৰি ।

ৰণা বিধতাই সময় নেচাই
মোৰে পেটতেই থাপি
পেটৰ পোৱালী অকণি লৰাটি
দিলেহি এদিন আপি ।

মোৰে কুকীৰ্ত্তি পলকতে হায়
গাওঁ ভুই জুৰি পৰি,
আলাই আবৰী দিলেহি মোক
সবেও আগচি ধৰি ।

হিয়াৰ আনন্দ লুকাল তেতিয়া
লুকাল মুখৰ মাত,
ছি ছি কৰি হায় সমাজে মিলিয়ে
কাঢ়িলে মুখৰো ভাত।

মাহ ধৰি ধৰি খুধি খুধি মোক
আলৈ আহুকাল দিলে,
তোৰ নাম কিন্তু নকলোঁ সোনজু
কতনো চেষ্টাৰ ফলে।

নকলোঁ নকলোঁ আৰিলৈকে মই
তোৰ নামটিকে ভাঙি,
সমাজে মাৰিলে আহু কাল পাই
মোৰ চুলি ছিঙি ছিঙি।

চেপিলে সিহঁতে কতনো মোক ঐ
খুন্দিলে কতনো হায়,
লেকেটা জীউ মৰিও মোৰ ঐ
বল হাৰতে লুকাই।

তইও সোনজু বাস্তৱি নেপালি
কি দশা কৰিলে মোৰ,
আই বোপায়ো লাজতে এৰিলে
তুলিলে পীৰিতি হোৱ।

সমাজে এৰিলে মিত্ৰই এৰিলে
জগত নেওচা হলোঁ
তোৰ কাৰণেই এনে দশা হল
কিনো বিহ-গুটি খালোঁ।

গুপুত পীৰিতি কেনে অতপালি
বুজিলোঁ তেতিয়া হায়,
তোৰে বিশ্বাসতে সাগৰত সেতু
কিয়নো বান্ধিলো মই!

মই আধাকাটি তেতিয়াও হায়
নকলোঁ নকলোঁ কথা
সকলো লাঞ্ছনা সকলো যাতনা
সহিলোঁ সকলো ব্যথা।

ভাবিলোঁ এবাৰ বিষ আনি খাই
জ্বালা যাতনা জুৰাওঁ
পোনাটিৰ চান মুখ খনি চাই
ক্ষেণতে হতাশ হওঁ।

কেচুৱা পোনাটি মোৰে পেটতেই
কলেহি বিচাৰি ঠাই
তই এৰি গলি মইও কেনেকৈ
এৰি যাওঁ তাক হায়।

মোৰ জীউ গলে সিওযে মৰিব
শুকাই লেৰেলি যাব—
মোৰ অবিহনে কোনে তাক লই
মৰম চকুৰে চাব।

তাৰে কথা ভাবি নমৰিলোঁ মই
দুখতে জীৱন নিলোঁ।
লগ পালে তোক গতাওঁ বুলিহে
নিতে বাট চাই বলোঁ।

হাবি বননিত ঘূৰি ফুৰি ফুৰি
ভঙা থৰি চাই চাই।
থৰিৰ বোজাটি বেচি অ'ত ত'ত
জীবিকা মোকলো হায়।

থৰিৰ বোজাটি নিওঁতে সদাই
আনে বানে চাই যাওঁ,
কিজানি দুখুনী বাটে পথে কতো
তোকে বিচাৰিয়ে পাওঁ।

মোৰ আশা গছ নফলিল কতো
নেপালো বিচাৰি তোক
দুখুনীৰ দুখ কেতিয়া গুচিব
গুচিব পিয়াহ ভোক ?

কাঁহি বাতি মোৰ নাই ঐ বহুনা
কো পাততেই খাওঁ,
লোন ভাত খাই দিন নিয়াইছোঁ।
নিতে মুখে কাঢ়ি খাও।

পিন্ধিবলৈ মোৰ নাই ঐ কাপোৰ
নাই ঐ সোনলু একো।
ফঁটা চিটা কানি মেৰিয়াই গাত
কিৰূপে জীয়াই থাকোঁ?

দুবছৰ মোৰ দুখতেই গল
দুখতে কটালোঁ দিন।
আজি কেনে ক্ষণ পুৱাতে উঠিয়ে
পালোঁ এনে শুভ দিন।

দুখৰ পিচত সুখৰ সম্ভোগ
আহিল নে আৰু ঘূৰি,
কিটোনো ভাগ্যত পালোহি তোক ঐ
আহোঁতে খৰিকে লুৰি!

কৰ পৰা তই আহিলি ভাগৰি
নাঙল জুঁৱলী লই,
সোনটিৰ তই বাতৰি পাইয়ে
আহিছনে লৰি ঐ?

মোৰে দুখ শুনি বেথা পাই অতি
আহিছনে ঘূৰি তই ?
সমাজ আগত ভাঙ্গি-পাতি কই
মিলিবি নতুনকই ।

মই অধচাৰী নহওঁ নিশ্চয়
কৰি সমাজক আজি
মোৰ দুখ হায় মোচন কৰিবি
ভাঙিছে পুৰণি পাঁজি ;

লৰ ঐ সোনলু তোৰেই পোনাটি
তোৰেই লেখিয়া দেখি,
গচ্-পিত সিও লইছে সকলো
তোৰেই মুখকে লেখি ।

দুখতে জন্মিছে চেনেহি সোণটি
দুখুনী পেটতে আহি
তোৰ নাম লই কান্দিছে কতনো
নিশা উজাগৰে কাহি ।

কথা কই কই মিকিৰ জীয়ৰী
জোলোঙা থহাই তাই
দিপ্‌লিপ্ অতি শুৱনি লৰাটি
যাচিলে মুগটৈল চাই ।

তাইৰে কাণ্ড দেখিয়ে সোনলু
থণ্ডতে উঠিল জকি
"আলাই জাবৰী ক'ৰ ঐ তই
সমাজক দিছ ফাঁকি ।

দায় জগৰ লগাব আহিছ
ক'ৰ ঐ বাউলী তই,
আতৰ আঁতৰ দূৰতেই তই
মাটিত পেলাওঁ মৈ ।

চিনিও নাপাওঁ জানিও নাপাওঁ
কোন গাঁৱৰ ভাগাৰী
লুকাই লুকাই পাপ কাম কৰি
কিয় হলিনো ভিখাৰী ?

মোৰ নাম দেখোঁ নতয় সোনলু
নিচিনো সমূলি লোক
হাল কোৰ বাই খেতি কৰি খাওঁ
মই সজনৰ লোক ।"

কি কলি কি কলি সোনলু তই ঐ
আজিও ছলনা কৰ !
ওৰে জীৱনত ভুলাই ভুলাই
মোকে ডেই পুৰি মাৰ ।

তোৰে চান মুখে মোক চুমা খাই
পাহৰি গৈছিলি তোক
সেই মুখেৰেই কোন মতে তই
কইছ নিচিন মোক ?

হব ঐ সোনলু ছলনা নকৰ,
লতোৰ পুতাই তুলি,
দুখুনীৰ বিত লছোন এবাৰ
পুৰণি কথাকে ভুলি "

কথা কই কই মিকিৰ জীয়ৰী
পলকতে আগবাঢ়ি,
সোণলু ভৰিৰ কাষতে থলেনি
লবাটি পুতো কৰি ।

নির্দ্দয় নিঠুৰ সোনলুৰ হিয়া,
কাঠচিতীয়া প্ৰাণ তাৰ
নঠিয়ালে হায় লাৱণী সোণটি
কটা ঘাত দিলে থাৰ !!

ভ্ৰূকুটি কৰিয়ে চালে সোণলুই
চকুজোৰ ঘোপা কৰি
বাঙলী দুগালে তিতিল তাংৰ
চকুৰ লোতক পাৰি ।

তাইৰে কাণ্ড দেখিয়ে সোনলু
খণ্ডতে উঠিল জকি
"আলাই জাবৰী ক'ৰ ঐ তই
সমাজক দিছ ফাঁকি।

দায় জগৰ লগাব আহিছ
ক'ৰ ঐ বাউলী তই,
আঁতৰ আঁতৰ দূৰতেই তই
মাটিত পেলাওঁ মৈ।

চিনিও নাপাওঁ জানিও নাপাওঁ
কোন গাওঁৰে জীমাৰী
লুকাই লুকাই পাপ কাম কৰি
কিয় হলিনো ভিখাৰী?

মোৰ নাম দেখোঁ নহয় সোনলু
নিচিনো সমূলি তোক
হাল কোৰ বাই খেতি কৰি থাওঁ
মই সজনৰ লোক।"

কি কলি কি কলি সোনলু তই ঐ
আজিও ছলনা কৰ!
ওৰে জীৱনত ভুলাই ভুলাই
মোৰক যেনেই এৰি যাব।

তোৰে চান মুখে মোক চুমা খাই
পাহৰি গৈছিলি ভোক
সেই মুখেৰেই কোন সতে তই
কইছ নিচিন মোক ?

হব ঐ সোনলু ছলনা নকৰ,
লতোৰ পুতাই তুলি,
দুখুনীৰ বিত লছোন এবাৰ
পুৰণি কথাকে ভুলি "

কথা কই কই মিকিৰ জীয়ৰী
পলকতে আগবাঢ়ি,
সোণলু ভৰিৰ কাষতে থলেনি
লবাটি পুত্ৰৌ কৰি ।

নিৰ্দ্দয় নিঠুৰ সোনলুৰ হিয়া,
কাঠচিতীয়া প্ৰাণ তাৰ
লঠিয়ালে হায় লাৱণী সোণটি
কটা ঘাত দিলে থাৰ !!

ভ্ৰূকুটি কৰিয়ে চালে সোণলুই
চকুজোৰ খোপা কৰি
বাওলী দুগাল তিতিল তাহৰ
চকুৰ লোতক পৰি ।

কি কৰিলি তই নিজ সন্তানক
নিজে লঠিয়ালি হায়
নিচিন মোকো কইছ নিলাজ
মোৰে তেজ মাংস খাই।

বাউলী বুলিহে ভেকাহি মাৰিছ
দূৰতেই ছেই কৰি,
পপীয়া মানৱ সন্তোষ নেপালি
থাই নিতে মোক খুলি!

এনেনো ছলনা কি হেতু কৰিলি
ধিয় দিলি জুই মোক
জগতত ধৰ্ম্ম নাই জানো সঁচা
পুৰিবলৈ বাক তোক?

ভাবিছনে তই আজলী ফুলটি
ক্ষনে মোহাৰিব পাই,
বিশ্ব জগতৰ নিয়ন্তাক নিতে
ছলনা কৰিবি হায়।

ভাবিছনে তই চহা সমাজক
চকুত ধুলিকে মাৰি।
বিপুল বিশ্বৰ সুখৰ সম্ভোগ
নিবি সদা লোট কৰি!

অতদিনে মই তোকে চাং চাই
তোকে গতাবলৈ ৰই,
দুখুনী জীৱন নিয়ালো সদাই
দুখকে কাটিকৈ থই।

আজি কিন্তু মোৰ সপোন ভাঙিল
বুজিলোঁ ছলনা তোৰ,
নৰৰূপী তই পিশাচ মূৰতি
পৰম শত্ৰুক মোৰ।

মিতিৰ পাতিয়ে মোৰে সৈতে হায়
তুলিলি পুৰণি হোৰ,
তোকো কিন্তু আজি শিকাম শিকাম
বুজিবি পপীয়া চোৰ।

তোৰেই পুতাই লাগে বা নালাগে
নেত্তাবো সমূলি মই
জনম দুখুনী মইয়ে নিলাজী
এৰিলোঁ ইয়াতে থই।"

কথা কই কই মিকিৰ জীয়ৰী
থমকতে হল থৰ
অবোধ লৰাটি মাটিতে এৰিকে
দূৰলৈ মাৰিলে লৰ।

আকাশ পাতাল চমকি উঠিল
মাৰিলে তভক্ হায়,
সৰগ ভাঙিয়ে খহি খহি পৰি
বিৰিথ কৰিলে ছাই।

দূৰ দূৰনিত কাউৰীয়ে কা
ফেঁচাই কিৰিলি পাৰে,
জীৱন দুখুনী মিকিৰ জীয়ৰী
খোজে পতি আগ বাঢ়ে

ডাৱৰ কুঁৱলি আগচি আগচি
বাট ভেটি ভেটি ধৰি।
মৰণ পথলৈ যাবকে নিদিয়ে
আগতে থমকি পৰি।

বিধিৰ বিধান দুৰ্কপালী তাই
পালেহি নইৰ দাঁতি
দুখুনী দুখুনী মিলিল দুইয়ো
বিপদ কৰিয়ে কাটি।

লাহে লাহে গই পানীত নামিয়ে
মাৰিলে পানীতে বুৰ
একে বুৰতেই লুকাল দুখুনী
পালেগৈ গভীৰ কুড়।

তাপিত জীৱন দুখুনী তাইৰ
শীতল পানীত পৰি,
চিৰ শান্তি লভি বক্ষতে থাকিল
নিতে শোক তাপ ভুলি।

মিকিৰ জীয়ৰী লুকাল লুকাল
সমাজ বাধোন এৰি,
দাঁতি কাষতে গেন্ধাইমালতী
দুখে বল জয় পৰি।

কিন্তু নিদাৰুণ পিশাচ সোণলু
দুখ আওকাণ কৰি
নিজ স্বাৰ্থ লই অধৰমী হিয়া
বল বুকু ডাঠ কৰি।

লাজ ঢাকিবলৈ পোনে পোনে গই
লৰাটি সাবটি ধৰি,
হাচুটি মেলিয়ে আফিম্ উলিয়াই
খুৱালে সৰহ কৰি।

কেচুৱা পোনাটি কানিৰ জালতে
অতিকে আতুৰ হই,
ভেলেঙি চকুৰে চাই সোণলুক
মেলানি মাগিলে ৰই।

সি চকুৰ ঠাঁৰ অপূৰ্ব্ব হাহিটি
নিফুঁট সুৰৰ কথা,
নিদাৰুণ প্ৰাণ কুমলি উঠৈহি
হৃদয়ত পাই বেথা।

নেজানো নেজানো ভেতিয়া প্ৰাণত
কি ভাব খেলালে তাৰ,
নৰকী সোণলু পালেনে সঁচাই
মৰম বেদনা ভাৰ ?

পলকতে হায় লবাটিও হাঁহি
পালেগৈ মাকৰ ঠাই,
শুমুক থানাক অবুজ গীতটি
বল চিৰকাল গাই।

সি গীতৰ ধ্বনি কঁপি কঁপি আহি
কবিৰ হিয়াত উঠি
কবিতা লহৰী উথলে দুগুনে
করুণ সুৰটি ফুটি

শকুন্তলা ভুলি বাউল কৰিয়ে
বলকি বলকি গাই
কনেও ৰূপৰ উজ্জল মুৰতি
সপোনত নিতে পায় !

তুলসী গুৰিতে চাকি গছা জলে
ধিমিকি ধিমিকি নাচি,
শোকৰ গীতৰ লনি সুৰ গাঠে
সৰগৰ পৰী আহি ।

ৰতাহে চেঙাই মন উকঙাই
আকাশে চকুলো টোকে ।
চকোৱা পক্ষীয়ে শোক গীত গায়
সুৰ্বৰি তাইকে নিতে ।

মেঘে চেৰেকনি মাৰে গনি গনি
কান্দে বুকু ভুকুৱাই,
লুকালি লুকালি কতনো জীয়ৰী
বিশ্ব ব্ৰহ্ম কলুৱাই ।

সুৰুয কিৰণ জলত সোমাই
পিয়াপি বিচাৰে তোক
চাঁও ভাঁহি ভাঁহি লুটি খাই আহি
ওভটে ওফন্দি মুখ ।

এন্ধাৰ ৰাতিও বিজুলীক লই
ধুমুহাত্তো কঁপি কঁপি
সহস্ৰ তৰাই সহস্ৰ চকুৰে
চাই ৰাতি দিন থপি ।

PLEASE HANDLE THE BOOK CAREFULLY.

বিপুল বিশ্বত কঁপনি উঠিছে
তোৰে কথা শুনি ভাবি
সাগৰ বিয়পি ধোঁৱা উথলিছে
শোক হুমুনিয়া কাঢ়ি।

ই যে হুমুনিয়া উঠি নিতে নিতে
বুকুৰ পোৱণি লই,
বিশ্ব ব্ৰহ্মাণ্ড কৰিছে কলিয়া
থমকি থমকি ৰই।

সেই তাপ ভাপ তুঁহ জুই জলি
জাহ্নব'ন জুই শিখা।
বিশ্ব জুৰি আজ মৰুভূমি কৰি
পাৰনে জীয়ৰী দেখা ?

পাৰনে পাৰনে কুঁহিমলা মোৰ
সচাঁ দেখা কৰবাত,
সৰগৰ পৰা মৰতত আনি
ৰোৱ প্ৰেম পাৰিজাত !

শাওণ শঁক ১৮৪৫

DISTRICT LIBRARY
... CTION

অসম প্ৰতিভা - (ঐতিহাসিক নাটক)

অসমৰ সাহিত্য, সমাজ, ধৰ্ম্ম, ৰণকৌশল, ৰাজ্য পৰিচালনা আদিৰ গৌৰৱময় চিত্ৰ। পঢ়ি চাই অসমীয়াৰ সেই উজ্জ্বল অতীত যুগলৈ মন কৰক। শ্ৰীমন্ত শঙ্কৰ, মাধৱ দেৱ, চিলাৰায়, নৰনাৰায়ণ আদি সমসাময়িক প্ৰতিভাবান লোক সকলৰ চৰিত্ৰ পাঠক।

জুঁইলৈ জুঁই:— (উপন্যাস) অসমীয়াৰ ঘৰুৱা চিত্ৰ।

বেচ ৸৹ আনা

প্ৰেমপত্ৰ:— (কবিতা) বেচ ৵৹ অনা

বুঁ হিমলাঃ— (কবিতা) বেচ ৵৹ অনা

শ্ৰীদৈৱচন্দ্ৰ তালুকদাৰ।

গুৱাহাটী

লতাশিল।

প্ৰকাশক— শ্ৰীউমেশ চন্দ্ৰ [illegible]

[illegible]

[illegible]